# তেৰটা নতুন পাঠ্যক্ৰম অন্তৰ্ভুক্ত

■ চন্দনা গগৈ

কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত স্নাতক মহলাৰ আৰু অসমীয়া বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়োৱা ডিব্ৰু মহাবিদ্যালয় অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান। ১৯৬৩ চনত স্থাপিত মহাবিদ্যালয়খনে কম্পিউটাৰ পাঠ্যক্ৰম, অসমীয়াত স্নাতকোত্তৰ পাঠ্যক্ৰম, Add-On/Certificate Course, KKHSOU আদিৰ মাধ্যমেৰে গুণগত শিক্ষা প্ৰদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলক বিশ্বজনীন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ জ্ঞান, দক্ষতা আৰু সৃষ্টিশীলতাৰে সবল কৰাত মহাবিদ্যালয়খনে বিশিষ্ট বৰঙণি আগবঢ়াই আহিছে। মুঠৰ ওপৰত অঞ্চলটোত উচ্চশিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

সমগ্ৰ দেশতে বৰ্তমান ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত বিশেষ যো-জা চলি আছে। এই নীতিত আমাৰ দেশৰ বহুতো উন্নয়নশীল ক্ষেত্ৰক স্পৰ্শ কৰাৰ লগতে প্ৰতিগৰাকী ব্যক্তিৰ সৃজনশীল শক্তিৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই নীতিয়ে গুণগত আৰু বাস্তৱমুখী শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিশিষ্ট বৰঙণি আগবঢ়াব। লগতে ই মাতৃভাষা আৰু ৰাজ্যিক ভাষাসমূহক অধিক গুৰুত্ব প্ৰদান কৰাৰ লগতে, গৱেষণাৰ প্ৰয়োজনীয়তা বৃদ্ধি কৰি শিক্ষাৰ গুণগত মান উন্নত কৰিব। ডিব্ৰু মহাবিদ্যালয়ে এই দিশত অগ্ৰসৰ হৈ তেৰটা এড অন ক'ৰ্ছ - Entrepreneurship Development, Vermi Composting Techniques, Physics Laboratory Instrument Handling and Maintenance, Music (Vocal), Techniques of Teaching, Spoken English, Peace and Conflict Management in NE India, Self Defence Certificate Course/Training Programme, Tourism in NE India, Library and Information Literacy, 3, 6 and 12 months Certificate course on Rupcharcha (Beautician) প্ৰদান কৰিছে। ইয়াক প্ৰৱৰ্তনৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২৫.০৬.২০২২ তাৰিখে অনুমোদন জনায়। এই বৃত্তিমুখী শিক্ষাৰ পাঠ্যক্ৰমে শিক্ষাৰ্থীসকলক ভৱিষ্যত জীৱনৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সক্ষম কৰি তুলিব লগতে স্বনিয়োজন আৰু আত্মনিৰ্ভৰশীল উদ্যোগ আৰু প্ৰতিষ্ঠান স্থাপনৰ পথত এই পাঠ্যক্ৰমে বিশিষ্ট বৰঙনি যোগাব।

*(লেখক ঃ উপাধ্যক্ষ)*